# Course 506

# অভিযোজিত কৌশলৰ বিকাশ, সহায়ক সঁজুলি, বিশেষ থেৰাপী

ব্লক - 3

গোট - 10



টোকা

## গোট - 10 ঃ অভিযোজিত কৌশল বিকাশ, সহায়ক সঁজুলি, বিশেষ থেৰাপী

# গাঁথনি

10.0 পাতনি

10.1 শিকন উদ্দেশ্য

10.2 অভিযোজিত কৌশল

- 10.2.1 অভিযোজিত কৌশলৰ অৰ্থ
- 10.2.2 শ্ৰৱণ আৰু কথন বাধাগ্ৰস্ত শিশুৰ বাবে অভিযোজিত কৌশল
- 10.2.3 একাধিক অসামৰ্থতা/চেৰিব্ৰেল পেলচিৰ বাবে অভিযোজিত কৌশল
- 10.2.4 শিকন অসামৰ্থতাৰ বাবে অভিযোজন
- 10.2.5 বৌদ্ধিক অসামৰ্থতাৰ বাবে অভিযোজন
- 10.2.6 দৃষ্টি বাধাগ্ৰস্ততাৰ বাবে অভিযোজন
- 10.2.7 চলন অসামৰ্থতাৰ বাবে অভিযোজন
- 10.2.8 শিক্ষকৰ ভূমিকা
- 10.2.9 ব্যায়াম

10.3 সহায়ক সঁজুলি

- 10.3.1 সহায়ক সঁজুলিৰ অৰ্থ
- 10.3.2 বিভিন্ন অসামৰ্থতা আৰু বাধাগ্ৰস্ততাৰ বাবে সহায়ক সঁজুলি
- 10.3.3 শ্ৰেণীকোঠাত শিক্ষকৰ ভূমিকা
- 10.3.4 একাধিক অসামৰ্থতা থকা (চেৰিব্ৰেল পেলচি, চলন অসামৰ্থতা) মানুহৰ বাবে সহায়ক সঁজুলি।
- 10.3.5 দৃষ্টি বাধাগ্ৰস্ততা
- 10.3.6 শিকন কঠিনতা
- 10.3.7 শ্ৰৱণ বাধাগ্ৰস্ততা
- 10.3.8 কথন বাধাগ্ৰস্ততা

10.4. বিশেষ পদ্ধতি

10.5. গোটৰ সাৰাংশ

10.6 অগ্ৰগতিৰ খতিয়ান

10.7 পৰামৰ্শমূলক প্ৰাসংগিক পুথি

10.8 গোটৰ অনুশীলন



টোকা

## 10.0 পাতনি ঃ

আপেনালোকে অস্বাভাৱিকতাৰ বিভিন্ন কাৰণ, ইয়াৰ প্ৰকৃতি, প্ৰকাৰ, প্ৰয়োজনীয়তা সম্পৰ্কে আৰু বিভিন্ন অসামৰ্থতা থকা শিশুৰ শৈক্ষিক প্ৰয়োজনীয়তা সম্পৰ্কে আগৰ অধ্যয়নত ইতিমধ্যে আলোচনা কৰিছে। প্ৰাক অসামৰ্থতা, শাৰীৰিক, স্নায়বিক, সংজ্ঞাত্মক যিয়েই নহওক কিয়, এইবোৰে শিশুৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ স্বাভাৱিক প্ৰক্ৰিয়াত বাধা জন্মায়। শিক্ষণ সদায় সঠিক শিকন ফলাফল আহৰণ কৰাৰ বাবেহে হোৱা উচিত। অসামৰ্থ শিশুৰ বাবে অভিযোজিত কৌশল, সহায়ক সঁজুলি আৰু বিশেষ পদ্ধতিৰ প্ৰয়োজন যাৰ জৰিয়তে তেনে শিশুৱে বিদ্যালয় আৰু সামাজিক দুয়োটা পৰিৱেশতে শিকিব পাৰে। এই অধ্যায়টোত এনেধৰণৰ কিছু কথা আলোচনা কৰাৰ বাবে প্ৰচেষ্টা কৰা হৈছে।

## 10.1 শিকন উদ্দেশ্য ঃ

এই অধ্যায়টোৰ জৰিয়তে আপুনি তলত দিয়া কথাবোৰ জানিব পাৰিব।

- অভিযোজিত কৌশলৰ অৰ্থ আৰু ব্যাখ্যা
- বিভিন্ন অসামৰ্থতাৰ বাবে ভিন্ন ধৰণৰ অভিযোজিত কৌশলৰ তালিকা প্ৰস্তুত
- অসামৰ্থ শিশুক সহায় কৰাৰ বাবে শিক্ষকৰ ভূমিকাৰ বৰ্ণনা
- সহায়ক সঁজুলিৰ অৰ্থ আৰু ব্যাখ্যা
- শিশুৰ পৰিৱেশ সাপেক্ষে সহায়ক সঁজুলিৰ ব্যৱহাৰ সম্পৰ্কে ব্যাখ্যা
- বেছি ভাল কাৰ্যকৰীকৰণৰ বাবে বিশেষ পদ্ধতিৰ ব্যৱহাৰ আৰু ব্যাখ্যা।

## 10.2 অভিযোজিত কৌশল ঃ

অসামৰ্থবান শিশুৰ বিভিন্ন কাম কৰাৰ সামৰ্থ নাথাকে। অসামৰ্থবান হোৱা হেতুকে তেওঁলোকে সাধাৰণ শিশুৰ দৰে জীৱন নিৰ্বাহৰ স্তৰ ঢুকি নাপায়। তেওঁলোকৰ অসামৰ্থতাই ব্যক্তিগত আৰু বৌদ্ধিক বিকাশৰ বাবে সমস্যাৰ সৃষ্টি কৰে। সেইবাবে এনে শিশুৱে কিছুমান নতুন কৌশল আহৰণ কৰিবলগীয়া হয় যিয়ে তেওঁলোকৰ অসামৰ্থতা দূৰ কৰিব পাৰে। এই অভিযোজিত কৌশলবোৰে শিশুক বিদ্যালয়ত আৰু দৈনন্দিন ক্ৰিয়াকলাপত সহায় কৰে। দৈনন্দিন কৰ্মৰ চাহিদাই এই শিশুসকলক অভিযোজিত কৌশল আহৰণ কৰাৰ বাবে উৎসাহ যোগায়। শিশুভেদে বা মানুহভেদে এই অভিযোজন ভিন্ন হোৱা দেখা যায়।

### 10.2.1 অভিযোজিত কৌশলৰ অৰ্থ ঃ

অভিযোজন এটা পিতৃ-মাতৃ আৰু শিক্ষকৰ পৰা গ্ৰহণ কৰা সুলভ পদ্ধতি যাৰ জৰিয়তে অসামৰ্থবান ব্যক্তি অৰ্হতাসম্পন্ন হয় আৰু দক্ষতাৰ বিকাশ হয়। প্ৰাকৃতিক



টোকা

পৰিৱেশত শিশুৱে অভিযোজনৰ দ্বাৰা শিকন কৌশল আহৰণ কৰিবলৈ সামৰ্থ হ'ব লাগে। পঠন, লিখন আৰু গণনা কাৰ্য (3Rs) ইয়াৰ অন্তৰ্গত। অভিযোজনৰ ক্ষেত্ৰত কৌশলসমূহ সৰু সৰু কাৰ্যলৈ ভাগ কৰা হয় যাতে শিশুৱে সোনকালে শিকিব পাৰে।

## 10.2.2 শ্ৰৱণ আৰু কথন বাধাগ্ৰস্ত শিশুৰ বাবে অভিযোজিত কৌশল ঃ

এনেবোৰ বাধাগ্ৰস্ত শিশুবোৰ স্বাভাৱিক হয় আৰু তেওঁলোকৰ বোধশক্তিও স্বাভাৱিক হয়। মাত্ৰ মনোপেশীক গুণবোৰ অভিযোজন কৰিব লগা হয় আৰু অন্য প্ৰয়োজনীয় কৌশলবোৰ তেওঁলোকে স্বাভাৱিকতে আহৰণ কৰিব পাৰে। সৰৱ কথোপকথনৰ দ্বাৰা শ্ৰৱণ, কথন, সৰব কথন শুদ্ধ কৰা হয়। সাধাৰণতে শ্ৰৱণ বাধাগ্ৰস্ততা থকা শিশুবোৰে জীৱনৰ আদি কালত কথন আহৰণ কৰে। নুশুনাকৈ কথা কৈ আনৰ লগত যোগাযোগ ৰাখিব পৰাটো অলপ অন্য ধৰণৰ হয়। যোগাযোগ দুই প্ৰকাৰৰ - অনা মৌখিক আৰু মৌখিক।

শ্ৰৱণ বাধাগ্ৰস্ত শিশুৰ বাবে অকল অনা মৌখিক যোগাযোগ ব্যৱস্থাহে ব্যৱহাৰ কৰিব পাৰি। সাংকেতিক ভাষাবোৰ হ'ল— আমেৰিকা সাংকতিক ভাষা (ASL), বৃটিছ সাংকেতিক ভাষা (BSL), শাৰীৰিক ভংগীমা আদি। এই ক্ষেত্ৰত সংকেত শিকোৱাটো উদ্দেশ্য নহয় কিন্তু সংকেত ব্যৱহাৰ কৰি ভাষা শিকোৱাটোহে উদ্দেশ্য। ওঠৰ সহায়ত পঠন আৰু সেই অনুসৰি মুখঅৱয়বৰ চলনৰ জৰিয়তে ভাষা শিকাব পাৰি। এই কাৰ্য আইনাৰ সন্মুখত নিজে অভ্যাস কৰিলে শিকন ত্বৰান্বিত হয়।

## 10.2.3 একাধিক অসামৰ্থতা/চেৰিব্ৰেল পেলচিৰ বাবে অভিযোজিত কৌশল ঃ

মগজুৰ ক্ৰিয়াৰ হীনদেৰি হ'লে চেৰিব্ৰেল পেলচি হয়। বয়স বঢ়াৰ লগে লগে মানুহে চালক স্নায়ু আৰু মাংসপেশীৰ সমস্যাত ভুগে। যেতিয়া এজন মানুহৰ 2 বা 3টা অসামৰ্থ থাকে তেন্তে তেনে ব্যক্তিক একাধিক অসামৰ্থবান ব্যক্তি বোলা হয় আৰু এওঁলোকৰ শিক্ষাৰ বাবে বিশেষ শৈক্ষিক পদ্ধতিৰ প্ৰয়োগ কৰিব লগা হয়। তেওঁলোকে বিমূৰ্ত চিন্তা কৰিব নোৱাৰা হয়। মনত ৰখা শক্তি কমি যায়। সেয়ে এওঁলোকক শিকাবৰ বাবে পাঠ্যক্ৰমৰ পৰিবৰ্তন আৱশ্যক হয়।

দলগত শিক্ষা পদ্ধতিৰ জৰিয়তে এনে ধৰণৰ ছাত্ৰক শিকালে ফলপ্ৰসূ হোৱা যায়। এই দলটোত বিভিন্ন বৃত্তিগত দক্ষ ব্যক্তি, পৰিয়ালৰ সদস্য আৰু যত্ন লোৱা ব্যক্তি থকা উচিত। দলগত শিক্ষণ পদ্ধতিত তলত দিয়া সদস্যবোৰেৰে দল গঠন হ'ব পাৰে—

- বিশেষ শিক্ষক
- ফিজিঅ' থেৰাপীষ্ট
- বৃত্তিগত থেৰাপীষ্ট



টোকা

- মনোবিজ্ঞানী
- সামাজিক কৰ্মী
- পৰিয়ালৰ সদস্য

## 10.2.4. শিকন কঠিনতাৰ বাবে অভিযোজন ঃ

শিকন অসামৰ্থ থকা শিশুক সাধাৰণ পাঠ্যক্ৰমত থকা অভিযোজন ব্যৱস্থাই সহায় কৰে। কিন্তু কেতিয়াবা এনে ব্যৱস্থাই কমকৈ শিকা শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য নহবও পাৰে। শিকন কঠিনতা বিভিন্ন ধৰণৰ হোৱা দেখা যায়। যেনে -

- **ডিচলেক্সিয়া (পঠন সমস্যা) ঃ** পঠনৰ সময়ত শিশুৱে শব্দ এৰি পঢ়ে, আখৰ বা শব্দ বিপৰীতভাৱে বা সলনি কৰি পঢ়ে।
- **ডিচগ্ৰেফিয়া (লিখন সমস্যা) ঃ** স্থিৰভাৱে লিখিব নোৱাৰে। হাতৰ আখৰ ভাল নহয় আৰু আখৰ বা শব্দবোৰৰ মাজত বিশৃংখলভাৱে ফাক থাকে।
- **এডিএইচ ডি (মনোযোগৰ সমস্যা) ঃ** শিশু চঞ্চল হয় আৰুমনোযোগৰ সময় একেবাৰে কম হয়। অন্যমনস্ক হয় আৰু অন্য কাৰ্যত লাগি থাকে। একে ঠাইত বহি থাকিব নোৱাৰে।
- **ডিচফেচিয়া (ভাষাৰ অসুবিধা) ঃ** দুই ধৰণৰ ডিচফেচিয়া থাকে। এই ক্ষেত্ৰত শিশুৱে হয়তো অৰ্থপূৰ্ণভাৱে ভাষা ব্যৱহাৰ কৰিব নোৱাৰে নাইবা আনে কোৱা শব্দ বুজি নাপায়। এনে শিশুক কাৰ্যত জড়িত কৰি তাৰ ফলাফল বিশ্লেষণ কৰিলে ভাষাৰ অসুবিধা দূৰ কৰিব পাৰি।

**কাৰ্য বিশ্লেষণ ঃ**

- শিক্ষকে এটা কৰ্ম বাচনি কৰিব লাগে।
- আচৰণৰ অধীনত ইয়াক ৰাখিব লাগে।
- কেনেকৈ সম্পূৰ্ণ কাৰ্য সৰু সৰু কাৰ্যত ভগাব লাগে তাক শিক্ষকে শিকাব লাগে।
- এটা স্তৰ শেষ কৰাৰ পিছত আনটো স্তৰ শিকাব লাগে।
- প্ৰতিটো স্তৰ দৃঢ়ীকৰণ কৰিব লাগে।
- প্ৰথম স্তৰৰ শিকন হোৱাৰ পিছত দ্বিতীয় স্তৰৰ শিকনৰ বাবে অভিৰুচিত হয়।
- গঠনমূলক পাঠৰ আদান-প্ৰদান।

## 10.2.5 বৌদ্ধিক অসমৰ্থতাৰ বাবে অভিযোজিত কৌশল ঃ

বিশেষ শিক্ষাত অভিযোজনৰ এটা অন্যতম উদ্দেশ্য হ'ল বৌদ্ধিক অসামৰ্থ থকা শিশুক প্ৰশিক্ষণ দিয়া যাতে তেওঁলোকে নিজৰ ব্যক্তিগত প্ৰয়োজনীয়তা, খোৱা, মল-মূত্ৰ ত্যাগ কৰা, ব্ৰাছ কৰা, গা-ধোৱা, পোছাক ঠিক কৰা আদি কাৰ্য বিভিন্ন পৰিৱেশ সাপেক্ষে



টোকা



যেতিয়াই প্ৰয়োজন হয় তেতিয়াই কৰিব পাৰে। উদাহৰণ স্বৰূপে আমি যেতিয়াই বিভিন্ন ঠাইত খাদ্য বা পানী গ্ৰহণ কৰো তেতিয়া বেছি সময়তে পিতৃ-মাতৃয়ে বা পৰিয়ালৰ সদস্যই বৌদ্ধিক অসামৰ্থ শিশুক নিজৰ লগত লৈ নাযায়। এনে শিশুৰ যথোপযুক্ত খাদ্য গ্ৰহণ কৰা কৌশল বা অন্য কৌশল আয়ত্ব কৰিব নোৱাৰাৰ বাবে তেওঁলোকক অভিভাৱকে লগত লৈ নাযায়। এনেবোৰ শিশুক আমি তলত দিয়া পদ্ধতিৰ জৰিয়তে সহায় কৰিব পাৰো।

- প্ৰতিটো কাৰ্যৰ বিশ্লেষণ
- কাৰ্য বিশ্লেষণৰ ব্যৱহাৰ ঃ সৰু সৰু খণ্ডত বিভক্ত প্ৰতিটো স্তৰৰ কৌশল আয়ত্ত কৰণৰ বাবে সহায়।
- প্ৰয়োজনীয় শিক্ষণ সামগ্ৰী ব্যৱহাৰ।
- প্ৰতিটো স্তৰৰ কৌশল আয়ত্তকৰণৰ মুহূৰ্তত পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰা।

এনে ব্যৱস্থা আমি শিশুৰ পঠন, লিখন আৰু গণনা কাৰ্যত ব্যৱহাৰ কৰিব পাৰো। এইদৰে আমি বৌদ্ধিক অসামৰ্থ থকা শিশুক শিক্ষণ প্ৰক্ৰিয়াত অভিযোজিত কৌশল ব্যৱহাৰ কৰি তেওঁলোকৰ বৌদ্ধিক অসামৰ্থতা দূৰ কৰিব পাৰো।

## 10.2.6. দৃষ্টি বাধাগ্ৰস্ততা ঃ

দৃষ্টি বাধাগ্ৰস্ততা থকা শিশুৰ বাবে আমি তলত দিয়া ধৰণে ব্যৱহাৰ ল'ব পাৰো।

- ব্ৰেইল লিখন।
- দৃষ্টি বৃদ্ধি সঁজুলি।
- লেন্স-কম দৃষ্টিশক্তি বেছি কৰিবলৈ।
- বিশেষ ধৰণৰ চচমা।
- ডাঙৰ আখৰ থকা ছপা কিতাপ।
- বস্তু চিহ্নিত কৰিবলৈ ভাল আলোকৰ ব্যৱহাৰ
- চকুৰ ৰেটিনা সজ্জাৰ শুদ্ধিকৰণ।
- কেটাৰেক্ট বা অন্য অস্থায়ী চকুৰ সমস্যা শুদ্ধিকৰণ।

## 10.2.7. চলন অসামৰ্থতা ঃ

যিবোৰ ব্যক্তিৰ গতি কৰোতে সমস্যা হয়, হাত নোহোৱা বা হাতৰ কঠিনতা আৰু বিষ আদি থাকে তেওঁলোকক চলন অসামৰ্থ ব্যক্তি বুলি কোৱা হয়। তলত দিয়া অভিযোজনবোৰ আহৰণ কৰিলে এনে সমস্যা দূৰ হয়।

- দুৰ্বল মাংসপেশীত মালিচ দি
- স্বাভাৱিক মাংসপেশীৰ শক্তি বৃদ্ধি কৰি
- স্প্লীণ্ট বা কেলিপাৰ যোগান ধৰি



টোকা

- শল্য চিকিৎসাৰ জৰিয়তে ষ্টীলৰ ৰ'ড সংস্থাপন কৰি চলন অসামৰ্থতা দূৰ কৰিব পাৰি।

এনে লোকৰ দুখ-বেদনা জোখাটো সম্ভৱ নহয়। বিষ-বেদনাৰ উপশম ঘটাবলৈ বিষ অনুভৱ কৰা মাংসপেশীত গৰম বা ঠাণ্ডা দি চিকিৎসা কৰিব পাৰি। চলন অসামৰ্থ লোকৰ সাধাৰণতে যথাস্থানত ঘাঁহ হোৱা দেখা যায়। বৰিক পাউদাৰ ব্যৱহাৰ কৰি, বিচনা চাদৰ সলনি কৰি আৰু স্বাস্থ্যকৰ পৰিৱেশত এনে লোকক ৰাখিলে তেওঁলোকৰ সমস্যা লাঘৱ হয়।

## 10.2.8 শিক্ষকৰ ভূমিকা ঃ

যিকোনো অসামৰ্থতা থকা শিশুৱে দুই ধৰণৰ সমস্যাত ভোগে। প্ৰথম এওঁলোকে স্বাভাৱিক শিশুৰ দৰে দৈনন্দিন ক্ৰিয়াকলাপ চলাই নিব নোৱাৰে। দ্বিতীয় অসামৰ্থতা থকা বাবে শিক্ষা আহৰণত অসুবিধা হয়। বিদ্যালয় কৰ্তৃপক্ষই এনে শিশুৰ সমস্যাৰ বুজ লৈ সেই ধৰণে সহায় কৰা দৰকাৰ। শিক্ষকে পাঠ্যপুথিৰ জ্ঞান শিশুক দিয়াৰ বাবে অনুঘটক হিচাপে কাৰ্য কৰিব লাগে। এখন জনপ্ৰিয় চিনেমা- 'তাৰে জমিন পৰ'ত দেখুৱাইছে যে শিক্ষকে শিশুৰ সমস্যা নুবুজে। ডিচলেক্সিয়া- এটা শিকন অসামৰ্থতা বেমাৰ আৰু এনে শিশুক কম নম্বৰ পোৱা আৰু শ্ৰেণীত অমনোযোগী হৈ থকা কাৰণে শিক্ষকে শাস্তি দিয়ে।

এজন শিক্ষকে এনেকুৱা শিক্ষা আহৰণ কৰিব লাগে যাতে তেওঁ নিজৰ ছাত্ৰ-ছাত্ৰীৰ অসামৰ্থতা চিনাক্ত কৰি সেই অনুসাৰে তেওঁলোকক শিক্ষণ আগবঢ়াব পাৰে। অসামৰ্থতা থকা সত্ত্বেও যাতে শিশুসকলে উচিত শিক্ষা পায় তাৰ ব্যৱস্থা শিক্ষকে কৰিব লাগে। এই ক্ষেত্ৰত শিক্ষকে সহায়ক হিচাপে কাৰ্য কৰাৰ স্তৰ সমূহ হ'ল- প্ৰথমে শিশুৰ অসামৰ্থতা সম্পৰ্কে বুজা আৰু শিকা, শিশুক উৎসাহিত কৰা, অধিক সময় তেনে শিশুক শিক্ষা প্ৰদান কৰা, চলন অসামৰ্থতা থকা চেৰিব্ৰেল পালচি থকা শিশুক সঠিক ঠাইত বহুৱাৰ ব্যৱস্থা কৰা, প্ৰয়োজন অনুসৰি নতুন শিক্ষণ ব্যৱস্থা অৱলম্বন কৰা।

**অগ্ৰগতিৰ খতিয়ান ঃ**

**অনুশীলনী 1**

তলত দিয়া প্ৰশ্নবোৰৰ এটা বা দুটা বাক্যত উত্তৰ দিয়ক —

1. অভিযোজিত কৌশল বুলিলে কি বুজে?
2. তলত দিয়া ব্যক্তিসকলৰ বাবে অভিযোজিত কৌশল কেনেকুৱা হোৱা উচিত লিখকঃ

- চলন অসামৰ্থতা
- চেৰিব্ৰেল পেলচি
- শ্ৰৱণ বাধাগ্ৰস্ততা
- দৃষ্টি বাধাগ্ৰস্ততা



টোকা



**অনুশীলনী 2**

চমুটোকা লিখক ঃ

1. সহায়ক সঁজুলি বুলিলে কি বুজে?
2. বিভিন্ন অসামৰ্থতা আৰু বাধাগ্ৰস্ততা থকা ব্যক্তিক কি কি সহায়ক সঁজুলিৰে সহায় কৰিব পাৰি তাৰ এখন তালিকা প্ৰস্তত কৰক।
3. শিক্ষকৰ ভূমিকা
4. চলন অসামৰ্থতা আৰু চেৰিব্ৰেল পেলচি থকা ব্যক্তিৰ বাবে কেনে ধৰণৰ অভিযোজিত কৌশল অৱলম্বন কৰিব লাগে লিখক।
5. শ্ৰৱণ বাধাগ্ৰস্ততা আৰু শিকন অসামৰ্থতা থকা ব্যক্তিৰ বাবে কেনে ধৰণৰ অভিযোজিত কৌশল অৱলম্বন কৰিব লাগে লিখক।

## 10.3. সহায়ক সঁজুলি

অসামৰ্থতা থকা শিশুৱে সাধাৰণতে দৈনন্দিন ক্ৰিয়াকলাপবোৰ সাধাৰণ শিশুৰ দৰে কৰিব নোৱাৰে। সেয়ে তেওঁলোক অন্যতকৈ পিছপৰা হৈ যায়। সেইবাবে আমি তেওঁলোকক স্ব-সক্ষম কৰি তুলিব লাগে যাতে অন্য শিশুৰ দৰে তেওঁলোকে নিজৰ কামবোৰ কৰিব পাৰে। সহায়ক সঁজুলি বুলি ক'লে আমি সেইবোৰকে বুজো যিবোৰে অসামৰ্থতা থকা শিশুক দৈনন্দিন ক্ৰিয়াকলাপ কৰিবলৈ সামৰ্থবান কৰি তুলিব পাৰে। এনে সঁজুলি দুই প্ৰকাৰৰ। প্ৰথমে, যিবোৰ সঁজুলি সংশ্লিষ্ট ব্যক্তিয়ে প্ৰয়োগ কৰিব পাৰে আৰু দ্বিতীয়তে যিবোৰ সঁজুলি অন্যৰ সহায়ত সংশ্লিষ্ট ব্যক্তিয়ে ব্যৱহাৰ কৰিব পাৰে।

সহায়ক সঁজুলিবোৰ এনেকুৱা হ'ব লাগে যাতে অসামৰ্থ ব্যক্তিয়ে ইয়াৰ সম্পূৰ্ণ ব্যৱহাৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে, চলন অসামৰ্থ এজন ব্যক্তিয়ে নিশ্চয় হুইল চকী বা ক্ৰাট্‌চ ব্যৱহাৰ কৰিব লাগিব। এই সঁজুলিয়ে তেওঁৰ ভৰিৰ সলনি কাম কৰিব। নাইবা এজন শ্ৰৱণ অসামৰ্থ ব্যক্তিয়ে শ্ৰৱণ সঁজুলি ব্যৱহাৰ কৰি অন্যৰ কথা শুনাৰ দক্ষতা আহৰণ কৰিব লাগিব যাতে তেওঁ আনৰ লগত কথা ক'ব পাৰে, বক্তৃতা বা গীত শুনিব পাৰে।

### 10.3.1. সহায়ক সঁজুলিৰ অৰ্থ ঃ

সহায়ক সঁজুলিবোৰ হ'ল দৈনন্দিন ক্ৰিয়াকলাপ চলাই নিবৰ বাবে অসামৰ্থতা থকা ব্যক্তিক প্ৰত্যক্ষভাৱে সহায় কৰা সঁজুলি। এনে ব্যক্তিৰ শিক্ষা আহৰণত, তথ্য আহৰণত, জিৰণি সময়ত নিজকে জড়িত কৰি পৰিৱেশ গঠনৰ সময়ত আৰু জিৰণি সময়ত ক্ৰিয়াকলাপৰ জৰিয়তে নিজৰ শাৰীৰিক গঠন সঠিক কৰি ৰখাৰ বাবে এই সহায়ক সঁজুলিবোৰ ব্যৱহাৰ কৰা হয়। এই সঁজুলিবোৰৰ সহায়ত অসামৰ্থতা থকা ব্যক্তিৰ আকাংক্ষা পূৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এনে সঁজুলিৰ সহায়ত আমি সংশ্লিষ্ট ব্যক্তিৰ অসামৰ্থতা দূৰ কৰি স্বাৱলম্বী হোৱাত সহায় কৰিব পাৰো।



টোকা

## 10.3.2. বাধাগ্রস্ত আৰু অসামৰ্থ ব্যক্তিৰ বাবে সহায়ক সঁজুলি ঃ

| বাধাগ্রস্ত/প্রকাৰ অসামৰ্থতাৰ | সহায়ক সঁজুলি |
|---|---|
| চলন অসামৰ্থতা | ষ্টেণ্ডিং ফ্ৰেম, স্প্লিণ্টাৰ |
| চেৰিব্ৰেল পেলচি | খোজকঢ়া সঁজুলি, হুইল চকী |
| দৃষ্টি বাধাগ্রস্ততা | এবাকাচ, ব্ৰেইলি, গাণিতিক ফ্ৰেম |
| শ্ৰৱণ বাধাগ্রস্ততা | শ্ৰৱণ সঁজুলি, কথন আৰ্হি, যোগাযোগ সঁজুলি, যোগাযোগ বোৰ্ড, কথন বোৰ্ড |
| কথন বাধাগ্রস্ততা | ওঁঠ পঠন, কথন আৰ্হি, আইনা ব্যৱহাৰ কৰি ওঠ পঠনৰ অভ্যাস। |
| শিকন অসামৰ্থতা | ডাঙৰ আৰু আকৰ্ষণীয় আখৰ, ছবি আৰু বস্তু মিলোৱা |
| একাধিক অসামৰ্থতা | ৰেম্প, পৰিপাটিকৈ বহা, ক্ৰাটচ্, খোজকঢ়া সঁজুলি, হুইল চকী। |
| বৌদ্ধিক অসামৰ্থতা | যিকোনো ধৰণৰ অসামৰ্থতা হ'ব পাৰে যেনে - শ্ৰৱণ বাধাগ্রস্ততা, দৃষ্টি বাধাগ্রস্ততা। প্রয়োজন অনুসৰি সহায়ক সঁজুলিৰ ব্যৱহাৰ কৰিব লাগে। |

## 10.3.3. শ্রেণীকোঠাত শিক্ষকৰ ভূমিকা ঃ

ভিন্ন অসামৰ্থতা অনুযায়ী সহায়ক সঁজুলিবোৰো বিভিন্ন হোৱা দেখা যায়। প্রথম কথা হ'ল শিক্ষকে এনে সঁজুলিবোৰ প্রয়োজন অনুসৰি শ্রেণীকোঠাত ব্যৱহাৰ কৰিব লাগে। বৌদ্ধিক অসামৰ্থতা থকা শিশুক Y বা U আৰ্হিত শ্রেণীকোঠাত বহুৱাব লাগে। ডাঙৰ, ৰঙীণ আৰু আকৰ্ষণীয় শিক্ষণ-শিকন সঁজুলি ব্যৱহাৰ কৰিব লাগে। এই ক্ষেত্ৰত চাৰ্ট, ফ্লেচ কাৰ্ড, মণিমালা আদি সামগ্ৰী প্রয়োজনীয়। ব্যক্তিগতভাৱে শিক্ষকে সংশ্লিষ্ট শিশুক শিকালে শিশুৰ লাভ হয়।

বাধাহীন পৰিৱেশ আৰু শিশুৰ বহা সাজোন সঠিক হ'লে তেওঁলোকে ভালকৈ শিকিব পাৰে। স্পীকাৰ ব্যৱহাৰ কৰি বা শ্ৰৱণ সঁজুলি ব্যৱহাৰ কৰি শ্ৰৱণ বাধাগ্রস্ত শিশুক শিক্ষা প্রদান কৰিলে সুফল পোৱা যায়। লাখুটি আৰু ব্ৰেইলি ব্যৱহাৰ কৰি দৃষ্টি বাধাগ্রস্ত শিশুক পাঠদান কৰিলে তেওঁলোকে সোনকালে শিকে। এজন শিক্ষকে দুই বা তিনি বিধ অসামৰ্থ শিশুক পাঠদানৰ বাবে প্রশিক্ষণপ্রাপ্ত হ'লে ভাল শিক্ষকৰ মাজত থকা সংহত প্রচেষ্টাই বিদ্যালয়ত অসামৰ্থতা থকা শিশুসকলক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়াই নিয়াত সহায় কৰে।

## 10.3.4. একাধিক অসামৰ্থতা থকা ব্যক্তিৰ বাবে সহায়ক সঁজুলি (চেলিব্ৰেল/পেলচি, চলন অসামৰ্থ ব্যক্তি)

যেতিয়া এজন ব্যক্তিৰ এটাতকৈ বেছি দিশত অসামৰ্থতা থাকে তেতিয়া তাক

টোকা

একাধিক অসমাৰ্থতা বুলি কোৱা হয়। এনে ব্যক্তি এজন দৃষ্টি আৰু বৌদ্ধিক দুয়োটা দিশতে অসামৰ্থ হ'ব পাৰে। অন্য এজনৰ শ্ৰৱণ বাধাগ্ৰস্ততাৰ সৈতে শাৰীৰিক বাধাগ্ৰস্ততাও থাকিব পাৰে। এনে ব্যক্তিৰ বোধ শক্তি কম হয়, অইনৰ লগত একে গতিশীলতা নাপায়। শিকন আৰু শাৰীৰিক দুৰ্বল হয় আৰু স্বাধীনভাৱে কাৰ্য কৰিব নোৱাৰা হয়। এনেধৰণৰ ব্যক্তিৰ বাবে তলত দিয়া সহায়ক সঁজুলিবোৰ ব্যৱহাৰ কৰিবপাৰি।

- পটি চকী (পায়খানাত ভালদৰে বহিব পৰা সঁজুলি)
- হুইল চকী, খোজকঢ়া সঁজুলি, ক্ৰাটচ, ৰেম্প, ট্ৰাই চাইকেল, আদি (মুক্ত বিচৰণৰ বাবে)
- চেৰিব্ৰেল পেলচি থকা শিশুৰ বাবে বিশেষ ধৰণৰ টুথব্ৰাছ, কলম আদি (ভাল ধৰণে হাতেৰে ধৰিবৰ বাবে)
- পশ্চিমীয়া দেশৰ ধৰণৰ পায়খানা।
- চৰকাৰী বা এন জি অ'ৰ জৰিয়তে কম মূল্যৰ মেৰামতিৰ সুবিধা থকা, সহজতে পোৱা সঁজুলি।
- আঁঠুৰ তলত কম ওজন বহন কৰিব পৰা সঁজুলি।
- খোজ দিবলৈ ৱাকিংফ্ৰেম।
- কেলিপাৰ।
- সাধাৰণ চকী ব্যৱহাৰ কৰিব নোৱাৰা শিশুৰ বাবে কৰ্ণাৰ চকী।

## 10.3.5 দৃষ্টি বাধাগ্ৰস্ততা ঃ

দৃষ্টিৰ জৰিয়তে কৰিব লগা কোনো কাম কৰিবলৈ অন্ধ মানুহ অসমৰ্থ হয়। আনহাতে কিছুমান ব্যক্তিৰ অলপ দৃষ্টি শক্তি থাকে আৰু তেওঁলোকক উপযুক্ত দৃষ্টি সহায়ক সঁজুলি ব্যৱহাৰ কৰাৰ সুবিধা দিলে তেওঁলোকৰ দৃষ্টি বাধাগ্ৰস্ততা দূৰ হয়। দৃষ্টিশক্তি নোহোৱা বা অলপ দৃষ্টি শক্তি থকা লোকৰ বাবে আমি তলত দিয়া সহায়ক সঁজুলিবোৰ ব্যৱহাৰ কৰিব পাৰো।

- মুক্ত বিচৰণৰ বাবে লাখুটি
- গণনাৰ বাবে এবাকাচ
- গাণিতিক সমস্যা সমাধানৰ বাবে গাণিতিক ফ্ৰেম
- ব্ৰেইলি
- টকিং থাৰ্মমিটাৰ
- টকিং ওৱাচ
- টকিং ম'বাইল

টোকা

## 10.3.6 শিকন অসামৰ্থতা ঃ

শিকন অসামৰ্থতা থকা লোকে দেখা বা শুনাৰ ওপৰত সিদ্ধান্ত দিব নোৱাৰে বা মগজুৰ বিভিন্ন অংশৰ জৰিয়তে তথ্য সংগ্ৰহ কৰি তাৰ বিশ্লেষণ কৰি সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। এনেকুৱা কঠিনতাবোৰে বিদ্যালয়ৰ কৰ্ম যেনে - পঢ়িবলৈ শিকা, লিখিবলৈ শিকা বা গণনা কৰিবলৈ শিকা আদিত বাধা প্ৰদান কৰে। এনে ধৰণৰ শিশুক শিকাবৰ বাবে সঁজুলিৰ লগতে সহায়কৰো প্ৰয়োজন হয়। উল্লেখনীয় শৈক্ষিক সহায় দিবলগীয়া কাৰ্যবোৰ হ'ল—

- চকু আৰু হাতৰ যোগাযোগ উন্নত কৰা
- ক্ৰমাগত স্মৃতি উন্নত কৰা
- আখৰৰ যথোপযুক্ত স্থান সঠিক কৰা
- সহজতে আখৰ গঠন, খালী ঠাই চিনাক্ত কৰা যেনে - বিপৰীতমুখী, একে দিশত, ঘূৰণীয়া আদি।
- বস্তুৰ লগত ছবি মিলোৱা
- লিখনিত শ্ৰৱণ সত্যতাৰ ব্যৱহাৰ কৰা।
- দলগত সিদ্ধান্ত অনুসৰণ কৰা।

## 10.3.7 শ্ৰৱণ বাধাগ্ৰস্ততা ঃ

কিছুমান শিশুৰ শ্ৰৱণ বাধাগ্ৰস্ততা থাকে আৰু তেওঁলোকে শুনাত, শব্দ চিনাক্ত কৰাত কঠিনতা অনুভৱ কৰে। সেইবাবে ভাষা আৰু কথন আহৰণ কৰাৰ প্ৰাকৃতিক প্ৰক্ৰিয়াবোৰ বাধাপ্ৰাপ্ত হয়। যেতিয়ালৈকে এই সমস্যাবোৰ সমাধা নহয় তেতিয়ালৈকে শ্ৰৱণ বাধাগ্ৰস্ততা বৃদ্ধি হৈ গৈয়েই থাকে। তলত দিয়া সঁজুলিবোৰেৰে আমি শ্ৰৱণ বাধাগ্ৰস্ততা দূৰ কৰিব পাৰো।

- শ্ৰৱণ সঁজুলি
- টেপ ৰেকৰ্ডাৰ, অবাৰহেজ প্ৰ'জেক্টৰ
- টকপেড
- কম্পিউটাৰ
- অভাৰহেড প্ৰজেক্টৰৰ জৰিয়তে শিশুক শব্দ আৰু বানান শিকোৱা।

## 10.3.8 কথন বাধাগ্ৰস্ততা ঃ

যোগাযোগৰ বাবে কথন অপৰিহাৰ্য। সাংকেতিক চিহ্ন আৰু প্ৰকাশভংগী (শব্দ অনুসৰি) যোগাযোগ কৰিবলৈ ব্যৱহাৰ কৰা হয়। বহুতো সাংকেতিক চিহ্ন আছে। যেনে - আমেৰিকান সাংকেতিক ভাষা (ASL) ব্ৰিটিছ সাংকেতিক ভাষা (BSL), ইণ্ডিয়ান সাংকেতিক ভাষা (ISL) এনে ধৰণৰ শিশুৰ বাবে তলত দিয়া সঁজুলিবোৰ ব্যৱহাৰ কৰিব পাৰো।

- যোগাযোগ বোৰ্ড
- আঙুলিৰ সংকেত
- টকিং বোৰ্ড
- চাৰ্ট
- দৃষ্টি নিক্ষেপ কৰিবলগীয়া শব্দ যেনে - Toilet, Danger, Exit, Enter, Poison আদি।

## 10.4 বিশেষ পদ্ধতি ঃ

কিছুমান বিশেষ পদ্ধতিয়ে বাধাগ্ৰস্ত লোকক বিশেষ ধৰণে সহায় কৰি তেওঁলোকক পৰিৱেশ অনুযায়ী কাৰ্যক্ষম কৰি তুলিব পাৰে। বেছি বাধাগ্ৰস্ত লোকৰ বাবে মেডিকেল সাহায্য প্ৰদান কৰাতো প্ৰয়োজন। বিশেষ পদ্ধতিবোৰ তলত দিয়া ধৰণৰ হ'ব পাৰে—

- পৰিয়ালৰ প্ৰতি পৰামৰ্শ ঃ সংশ্লিষ্ট পৰিয়ালৰ লোকৰ পৰামৰ্শ দি পৰিয়ালৰ বাধাগ্ৰস্ত লোকক আবেগিক সহায় আগবঢ়োৱা।
- ব্যৱহাৰিক সমস্যাৰ শুদ্ধিকৰণ ঃ
  এই ব্যৱস্থাই নেতিবাচক ব্যৱহাৰৰ শুদ্ধিকৰণত সহায় কৰে।
- খেলৰ জৰিয়তে শুদ্ধিকৰণ ঃ যেনে - খেল-ধেমালিয়ে মানুহক মনৰ পৰা উৎকণ্ঠা নাশ কৰে, শাৰীৰিকভাৱে সুস্থ কৰে আৰু জিৰণিৰ সময় কটোৱাত পৰিৱেশ গঢ়ি তোলে।
- যোগ ঃ যোগাভ্যাসে মনলৈ শান্তি আনে, শৰীৰ সুঠাম কৰে আৰু কিছুদূৰলৈ বাধাগ্ৰস্ততা আঁতৰাই ৰাখে।
- কথন সমস্যাৰ শুদ্ধিকৰণ ঃ এই ব্যৱস্থাই সংশ্লিষ্ট ব্যক্তিক মুক্তভাৱে কথা ক'বলৈ সুবিধা প্ৰদান কৰে।
- শাৰীৰিক আৰু মানসিক উদ্দীপনা ঃ শাৰীৰিকভাৱে সুস্থ হয় আৰু তথ্য সংগ্ৰহ আৰু বিশ্লেষণ শক্তি বাঢ়ে।
- অভ্যাস ঃ অভ্যাসে শাৰীৰিক আৰু মানসিক বিষাদ দূৰ কৰে।
- বয়স অনুপাতে কৰা কাৰ্য ঃ এই ব্যৱস্থা হ'ল প্ৰথম ব্যৱস্থা যাৰ জৰিয়তে অসামৰ্থতাৰ কাৰণ বুজিব পাৰি আৰু সেই অনুযায়ী প্ৰতিকাৰৰ ব্যৱস্থা ল'ব পাৰি।
- শৰীৰৰ শুদ্ধ অৱস্থান ঃ শুদ্ধভাৱে বহা, থিয় হোৱা বা খোজকঢ়া আদি কাৰ্যই শাৰীৰিক অসামৰ্থতা দূৰ কৰাত সহায় কৰে।

## 10.5 গোটৰ সাৰাংশ ঃ

এই গোটটোত আপোনালোকে অসামৰ্থতা থকা শিশুক কেনেদৰে শিক্ষা প্ৰদান কৰি আগুৱাই নিব লাগে সেই কথা জনোৱা হৈছে। বিভিন্ন কাৰ্য নিয়াৰিকৈ কৰিবলৈ অসামৰ্থতা থকা শিশুক বিভিন্ন অভিযোজিত কৌশলৰ আৱশ্যক হয়। আনহাতে সহায়ক



টোকা

সঁজুলিয়ে শিশুক স্বাভাৱিক জীৱন শৈলী আহৰণ কৰাত সহায় কৰে।

অসামৰ্থতা থকা লোকৰ বাবে কিছুমান বিশেষ পদ্ধতি দৰকাৰ হয়। বিভিন্ন পদ্ধতি যেনে - যোগ, খেল-ধেমালি, পৰিয়ালৰ প্ৰতি উপদেশ, শাৰীৰিক আৰু মানসিক উদ্দীপনা আদিয়ে অসামৰ্থতা থকা লোকক বিশেষভাৱে সহায় কৰে যাতে সকলো পৰিৱেশতে তেওঁলোকে সহজতে কাৰ্য কৰিব পাৰে। এই পদ্ধতিবোৰে বাধাগ্ৰস্ত শিশুৰ পিতৃ-মাতৃকো তেওঁলোকক আগুৱাই নিয়াত সহায় কৰে।

অসামৰ্থ শিশুক শিক্ষাদান কৰিবলৈ শিক্ষকৰ ভূমিকা বাৰুকৈয়ে উল্লেখযোগ্য। শিক্ষকে শিশুৰ বিভিন্ন অসামৰ্থতা চিনাক্ত কৰি সেই অনুসৰি তেওঁলোকক শিক্ষা প্ৰদান কৰিব পাৰিব লাগিব যাতে তেওঁলোকে আন শিশুৰ লগত একেলগে আগবাঢ়ি যাব পাৰে।

## 10.6 অগ্ৰগতিৰ খতিয়ান ঃ

**অনুশীলনী-1**

1. অভিযোজিত কৌশল হ'ল যিবোৰ কৌশল অসামৰ্থ শিশুৰ প্ৰয়োজন অনুসৰি অভিযোজন কৰা হয়। অভিযোজিত কৌশল অসামৰ্থতা অনুযায়ী ভিন্ন ধৰণৰ হয়। দৈনন্দিন জীৱন নিৰ্বাহ, পঠন, লিখন আৰু পৰিৱেশৰ সৈতে মিলিবলৈ এনে কৌশলৰ আৱশ্যক হয়।

2.a. **চলন অসামৰ্থতা ঃ** প্ৰয়োজনীয় অভিযোজিত কৌশল আৰু সহায়ক সঁজুলি ব্যৱহাৰ কৰি চলন অসামৰ্থতা দূৰ কৰিব পাৰি।

b. **চেৰিপেলচি ঃ** যদি পৰিৱেশ অনুকূল নহয়, নিয়মীয়া শিক্ষণ পদ্ধতি ব্যৱহাৰ কৰিব পাৰি। অভিযোজনৰ প্ৰয়োজন নহয়। চকু আৰু হাতৰ সমন্বয় এই ক্ষেত্ৰত উন্নত কৰিব লাগিব।

c. **শ্ৰৱণ বিকাশ ঃ** নিয়মীয়া শিক্ষণ পদ্ধতি অবলম্বন কৰিব লাগিব। মানসিক বাধাগ্ৰস্ততা বা এপিলেপচি থাকিলে বিশেষ পদ্ধতি অৱলম্বন কৰিব লাগিব। ব্যক্তিগত কৌশলৰে শিক্ষণ আগবঢ়াব লাগিব।

d. **দৃষ্টি বিকাশ ঃ** ব্ৰেইলিৰ জৰিয়তে শিক্ষণ, এবাকাচ আৰু বিশেষ সুবিধা থকা শ্ৰেণীকোঠাত থাকিব লাগিব। শ্ৰেণীকোঠাত বাধামুক্ত পৰিৱেশ গঢ়িব লাগিব।

**অনুশীলনী-2**

1. সহায়ক সঁজুলি সেইবোৰ যিবোৰে অসামৰ্থতা থকা শিশুক দৈনন্দিন ক্ৰিয়াকাৰ্যবোৰ কৰাত সহায় কৰে। এই সঁজুলিবোৰে পৰিপূৰক হিচাপে কাম কৰে। এই সঁজুলি দুই প্ৰকাৰৰ। প্ৰথম যিবোৰ সঁজুলি সংশ্লিষ্ট লোকে ব্যৱহাৰ কৰিব পাৰে আৰু দ্বিতীয় যিবোৰ সঁজুলি আনৰ সহায়ত সংশ্লিষ্ট লোকে ব্যৱহাৰ কৰিব পাৰে।

2.a. **বৌদ্ধিক অসামৰ্থতা ঃ** ক্ৰাট্‌চ, শ্ৰৱণ সঁজুলি, সমান্তৰাল দণ্ড, কৰ্ণাৰ চিট, লাখুটি আদি

b. **কথন বাধাগ্ৰস্ততা ঃ** ওঠ পঠন, শ্ৰৱণ, সঁজুলি, টকিং বোৰ্ড, সাংকেতিক চিহ্নযুক্ত ভাষা, অডিঅ'লজি পদ্ধতি আদি

c. **শিকন অসামৰ্থতা ঃ** ডাঙৰ আৰু আকৰ্ষণীয় আখৰ, ছবি আৰু বস্তু চিনাক্তকৰণ আদি।



টোকা

d. **একাধিক অসামৰ্থতা ঃ** ৰেম্প, বহাৰ সুবিধাজনক ব্যৱস্থা, ক্ৰাট্‌চ, ৱাকাৰ, হুইল চকী আদি।

e. **দৃষ্টি বাধাগ্ৰস্ততা ঃ** বিশেষ পাঠ্যক্ৰম অনুসৰি পাঠ পৰিকল্পনা, লাখুটি, বিশেষ চশমা, লিখাৰ বাবে বিশেষ ব্যক্তি নিযুক্তি, টেইলৰ ফ্ৰেম, এবাকাচ, ব্ৰেইলি প্ৰশিক্ষক।

3. **শিক্ষকৰ ভূমিকা ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সমস্যা বুজি পোৱা উচিত। শিক্ষকৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে শিকে। শিশুৰ প্ৰয়োজনীয়তা অনুধাৱন কৰিব পৰাকৈ শিক্ষক প্ৰশিক্ষিত হ'ব লাগে। শিশুৰ বাধাগ্ৰস্ততা আঁতৰ কৰিবলৈ শিক্ষকে যত্ন কৰিব লাগে। শিক্ষকে শিশুক বিভিন্ন ধৰণে সহায় কৰিব পাৰে।

**অনুশীলনী-3**

2. **বিশেষ পদ্ধতি ঃ** কিছুমান বিশেষ পদ্ধতিয়ে বাধাগ্ৰস্ত শিশুক শিকনত আগবঢ়াই নি পৰিৱেশ সাপেক্ষে তেওঁলোকক কৰ্মমুখী কৰি তুলিব পাৰে। যেনে -

a. পৰিয়াললৈ পৰামৰ্শ

b. খেল-ধেমালি

c. যোগ

d. অভ্যাস

e. ভালকৈ অৱস্থান কৰা আৰু কঢ়িওৱা

f. বেছি অসামৰ্থতাৰ ক্ষেত্ৰত চিকিৎসা সাহায্য দিয়া।

## 10.7 পৰামৰ্শমূলক প্ৰসংগ পুথিৰ তালিকা ঃ


- Special education for mentally handicapped pupils- A teaching manual1987times mirror
- Help me to help my child- Jill Bloom Brown & Co 2oo1 McGraw co
- Class management and control- A teaching skills workbook2010 journal of psychology extract author EBALY STEWART W
- DES teacher education project focus books- E C WraggNIMH PUB 1999
- Text book on physiotherapy- DSEMR course book1993 PUB NIMH
- Moving away from labels- IndumathiRao, Vidya Pramod2010 CBR PUB
- Assistive devices and therapy- book 4- FCED, course material 2009 IGNOU STUDY MATERIAL


## 10.9 গোট অনুশীলনী ঃ

1. বিশেষ পদ্ধতিৰ ওপৰত চমু টোকা লিখা।

******